DAILY ASSAM



দশম অধ্যায়

# সাংবিধানিক দৰ্শন
## (THE PHILOSOPHY OF THE CONSTITUTION)

**পৰিচয়**

*এই কিতাপত এতিয়ালৈকে আমি আমাৰ সংবিধানৰ বহুবিলাক গুৰুত্বপূৰ্ণ ব্যৱস্থা অধ্যয়ন কৰিছো, আৰু লগতে যোৱাটো অৰ্ধ শতিকাত ইয়াক কি ধৰণৰে ব্যৱহাৰ কৰা হৈছে, তাকো অধ্যয়নে সামৰি লৈছে। আমি এয়াও অধ্যয়ন কৰিছো যে সংবিধানখনক কেনেধৰণেৰে প্ৰণয়ন কৰা হৈছে। কিন্তু তোমালোকে কেতিয়াবা নিজকে প্ৰশ্ন কৰিছানে, বৃটিছ শাসনৰ পৰৱৰ্তী ভাৰতবৰ্ষৰ নেতাসকলে বা আন্দোলনকাৰীসকলে কিয় এখন সংবিধানৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল? কিয় তেওঁলোকে নিজকে লগতে ভৱিষ্যত প্ৰজন্মক সাংবিধানিক সীমাৰেখাৰে বান্ধি ৰাখিবলৈ বিচাৰিছিল। এই কিতাপখনত আমি সময়ে সময়ে খচৰা কমিটিত হোৱা বাদানুবাদসমূহ আলোচনা কৰি আহিছো। কিন্তু, এইটো প্ৰশ্ন কৰা প্ৰয়োজন যে কিয় সংবিধান অধ্যয়ণ কৰোতে কমিটীৰ বাদানুবাদসমূহ আমি দৃঢ়ভাৱে পৰীক্ষা কৰিছো! এই পৰীক্ষাৰ উত্তৰ এই অধ্যায়টোতেই পোৱা যাব। দ্বিতীয়তে, এইটো অতি গুৰুত্বপূৰ্ণ যে কেনে প্ৰকৃতিৰ সংবিধান আমি আমাৰ বাবে প্ৰণয়ন কৰিছো। আমি ইয়াৰ যোগেদি কি লক্ষ্যত উপনিত হ'ব বিছাৰিছো? এই লক্ষ্যসমূহত নৈতিকতাৰ মূল্যবোধ আছেনে? যদি আছে, সেইসমূহ কি? এইসমূহৰ শক্তি আৰু সীমাবদ্ধতা কি? সংবিধানৰ ব্যৱহাৰিক দিশত ইয়াৰ দোষ বা দুৰ্বলতা আৰু গুণাগুণ কি? এইসমূহ কৰোতে আমি বুজিবলৈ চেষ্টা কৰিছো— যাক ক'ব পাৰি সাংবিধানিক দৰ্শন।*

*এই অধ্যায়টি অধ্যয়ন কৰাৰ পিছত তোমালোকে জানিব পাৰিবা*

- *কিয় সাংবিধানিক দৰ্শন অধ্যয়ন কৰা প্ৰয়োজন,*
- *ভাৰতীয় সংবিধানৰ মূল বৈশিষ্ট্যসমূহ কি,*
- *এইখন সংবিধানৰ সমালোচনাসমূহ কি, আৰু*
- *এই সংবিধানৰ সীমাৱদ্ধতাসমূহ কি?*

DAILY ASSAM



## সাংবিধানিক দৰ্শনৰ অৰ্থ কি ? (What is Meant by Philosophy of the Constitution?)

বহুলোকে বিশ্বাস কৰে যে সংবিধানখন আইনৰ এক সংমিশ্ৰণ, আৰু আইনসমূহ হৈছে, মূল্যবোধ তথা নৈতিকতাতকৈ পৃথক। সেয়েহে আমি সংবিধানৰ তত্বসমূহক বিধিগত বা আইনগত দৃষ্টিৰেহে বিশ্লেষণ কৰিম, ৰাজনৈতিক দাৰ্শনিক তত্বৰে নহয়। এইটো সত্য যে সকলোবোৰ আইনত নৈতিকতা নেথাকে, কিন্তু বেছিভাগ আইনেই মূল্যবোধৰ লগত দৃঢ়ভাৱে জড়িত থাকে। উদাহৰণস্বৰূপে— আইনে মানুহৰ মাজত ভাষা বা ধৰ্মৰ ভিত্তিত সৃষ্টি হোৱা ভেদাভেদ নিৰ্মূল কৰে। তেনেদৰেই আইন সমতাৰ লগত জড়িত হৈ থাকে। আমি সমতাক মূল্য দিও বাবেই এনেবোৰ আইন প্ৰচলিত হয়। সেইবাবেই আইন আৰু নৈতিক মূল্যবোধৰ মাজত সম্পৰ্ক আছে।

সেইবাবে আমি সংবিধানক এখন মূল্যবোধ ভিত্তিক দলিল হিচাপে চাব পাৰো। আমি সংবিধানক ৰাজনৈতিক দাৰ্শনিক দৃষ্টিভংগীৰে বিশ্লেষণ কৰাটো প্ৰয়োজন। সংবিধানৰ ৰাজনৈতিক দাৰ্শনিক তত্ত্ব বুলিলে কি বুজো ? আমাৰ মনত তিনিটা বিষয় আছে —



*ই ইয়াকে বুজায় নেকি যে সকলো সংবিধানৰে এটা দৰ্শন আছে? অথবা এইটো নেকি যে মাত্ৰ কিছুমান সংবিধানৰহে এটা দৰ্শন আছে?*

- প্ৰথমতে আমি সংবিধানৰ ধাৰণামূলক গাঁথনিটো বুজি ল'ব লাগিব। ইয়াৰ অৰ্থ কি ? লগতে সংবিধানত উল্লেখ থকা 'অধিকাৰ', 'নাগৰিকত্ব', 'সংখ্যালঘু', 'গণতন্ত্ৰ' ইত্যাদি শব্দসমূহৰ প্ৰকৃত অৰ্থ কি ?
- সংবিধানত উল্লেখ থকা গুৰুত্বপূৰ্ণ ধাৰণাসমূহক সমাজ আৰু ৰাজনীতিৰ ক্ষেত্ৰত এক দৃষ্টিভংগীৰ যোগেদি বিশ্লেষণ কৰিবলৈ চেষ্টা কৰিছো। সংবিধানত থকা আদৰ্শসমূহৰ বিষয়ে আমি বিশদভাৱে জানিব লাগিব।
- ভাৰতীয় সংবিধানক খচৰা কমিতিৰ বাদানুবাদ অধ্যয়নৰ যোগেদি এক উচ্চ পৰ্য্যায়ৰ তাত্বিক স্তৰলৈ নিয়াৰ প্ৰয়াস কৰা হৈছে, লগতে সংবিধানৰ মূল্যবোধসমূহক ন্যায়িকভাৱে উপস্থাপন কৰিবলৈ চেষ্টা কৰা হৈছে। সংবিধানৰ প্ৰণেতাসকলে

DAILY ASSAM



ভাৰতীয় সমাজ আৰু ৰাজনীতি চলোৱাৰ বাবে হাতত লোৱা মূল্যবোধসমূহৰ কিছুমান কাৰণ আছে। প্ৰায় ভাগেই যদিও বিশদভাৱে আলোচনা কৰা হোৱা নাই।

ৰাজনৈতিক দাৰ্শনিক তত্বই সংবিধানৰ কেৱল নৈতিকতাকেই প্ৰকাশ নকৰে আৰু দাবীৰো মূল্যায়ণ নকৰে, ই আমাৰ ৰাজনীতিৰ মূল্যবোধসমূহ বিবিধ দৃষ্টিভংগীৰে নিৰ্মাণ কৰাত সহায় কৰে। এইটো নিশ্চিত যে প্ৰায়বোৰ আদৰ্শই প্ৰত্যাখ্যান, আলোচনা, বিতৰ্কৰ লগতে প্ৰতিদ্বন্দ্বিতাৰ দিশত বিভিন্ন সমালোচনাৰ সন্মুখীন হয়। এই আদৰ্শসমূহ বিবিধ বিশ্লেষণাত্মক, আৰু কেতিয়াবা ইচ্ছাকৃতভাৱেও নিজ স্বাৰ্থত ব্যৱহাৰ কৰা হ'য়। গতিকে, আমি পৰীক্ষা কৰি চাব লাগিব যে — সাংবিধানিক আদৰ্শ আৰু ইয়াৰ প্ৰকাশৰ মাজত থকা সম্পৰ্কৰ বিশ্লেষণ কি! কেতিয়াবা একেটা আদৰ্শই বিভিন্নজনে বিভিন্ন ধৰণৰে প্ৰকাশ কৰে। যিহেতু সংবিধানৰ আদৰ্শসমূহ কৰ্তৃত্বশীল, সেয়ে আদৰ্শ আৰু মূল্যবোধৰ মাজত হোৱা বিবাদ নিৰাময়ৰ বাবে এই আদৰ্শসমূহক ব্যৱহাৰ কৰা প্ৰয়োজন।



*অৱশ্যেই হয়, সংবিধানৰ এই বিষয়টোৰ বিভিন্ন ব্যাখ্যা মোৰ মনত পৰে। আমি শেষৰ অধ্যায়টোত এইবোৰ আলাচনা কৰিছিলো, আমি কৰা নাছিলোনে?*

১৯৪৭ চনৰ জাপানৰ সংবিধান শান্তি সংবিধানৰূপে জনাজাত। প্ৰস্তাৱনাত লিখা আছে যে— 'We the Japanse people desire peace for all time and are deeply conscious of the high deals controlling human relationship'

জাপানৰ সংবিধানৰ দৰ্শন সেইবাবেই শান্তিৰ আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত। জাপানৰ সংবিধানৰ নৱম অনুচ্ছেদ মতে,

১) আন্তৰাষ্ট্ৰীয় শান্তি, ন্যায় আৰু নিৰ্দেশৰ ভিত্তিত স্থাপিত। জাপানীসকলে যুদ্ধক ৰাষ্ট্ৰৰ সাৰ্বভৌম অধিকাৰৰূপে অস্বীকাৰ কৰিছে, লগতে আন্তৰাষ্ট্ৰীয় বিবাদসমূহ মীমাংসাৰ বাবে কোনো ধৰণৰ শক্তি প্ৰয়োগৰ ক্ষেত্ৰত সমৰ্থন জনোৱা নাই।

২) নিৰ্দিষ্ট লক্ষ্যত উপনীত হোৱাৰ বাবে তেওঁলোকে সামৰিক, নৌ আৰু বায়ু সেনাবাহিনীৰ লগতে অন্যান্য যুদ্ধৰ প্ৰয়োজনসমূহ ব্যৱহাৰৰ পৰা বিৰত থাকে ...। ইয়েই এইটোৱেই প্ৰমান কৰে যে — সংবিধান এখন প্ৰণয়নৰ ক্ষেত্ৰত সংবিধান প্ৰণেতাসকলে কেনেধৰণেৰে প্ৰভাৱ পেলায়।

DAILY ASSAM



## সংবিধান এক গণতান্ত্ৰিক পৰিবৰ্তনৰ মাধ্যম (Constitution as Means of Democratic Transformation)

প্ৰথম অধ্যায়ত আমি সংবিধান শব্দৰ অৰ্থ আৰু সংবিধানৰ প্ৰয়োজনীয়তা সম্পৰ্কে বুজিব পাৰিলো। সংবিধানৰ প্ৰয়োজনীয়তা এইবাবেই আছে, যাতে শক্তিৰ অপপ্ৰয়োগ নহ'য়। আধুনিক ৰাষ্ট্ৰসমূহ অধিক শক্তিশালী। তেওঁলোকৰ বিশ্বাস যে শক্তি তেওঁলোকৰ একচেতিয়া অধিকাৰ। এনে ৰাষ্ট্ৰসমূহৰ অনুষ্ঠানসমূহ যদি অপশক্তিৰ হাতত পৰে, তেতিয়া শক্তিৰ ব্যৱহাৰ অপব্যৱহাৰ হ'ব। যদিও এই অনুষ্ঠানসমূহ আমাৰ ৰক্ষা আৰু ভালৰ বাবে গঠন কৰা হৈছে, ইয়াক সহজতে আমাৰ বিৰুদ্ধে ব্যৱহাৰ কৰিব পাৰি। বিশ্বৰ ৰাষ্ট্ৰ শক্তিৰ অভিজ্ঞতাৰ পৰা দেখা যায় যে প্ৰায়বোৰ ৰাষ্ট্ৰই অন্ততঃ কিছুমান ব্যক্তি আৰু গোটৰ স্বাৰ্থক আঘাত কৰে। যদি এনে হয় আমি খেলৰ আইনসমূহ এনেধৰণেৰে ব্যৱহাৰ কৰিব লাগিব যাতে ৰাষ্ট্ৰসমূহৰ এই চেষ্টা সীমিত কৰা হয়। সংবিধানে কিছুমান মূল নীতি আগবঢ়াব লাগিব যাৰ জৰিয়তে ৰাষ্ট্ৰসমূহ যাতে স্বেচ্ছাচাৰী নহয়।

সংবিধানে সামাজিক পৰিৱৰ্তন অনাৰ বাবে কিছুমান শান্তিপূৰ্ণ, গণতান্ত্ৰিক মাধ্যম আগবঢ়ায়। ঔপনিৱেশিকতাবাদ আঁতৰাই সংবিধানে ৰাজনৈতিক স্বদৃঢ়তা বঢ়োৱাত সহায় কৰে।



*সেইকাৰণে আমি কব পাৰো নেকি যে সাংবিধানিক সভাৰ সদস্য-সকলে সামাজিক পৰিবৰ্তন আনিবৰ বাবে আগ্ৰহী হৈ আছিল? কিন্তু আমি এইটোও কওঁ যে সাংবিধানিক সভাত সকলো মতামতেই প্ৰতিনিধিত্ব পাইছিল।*

নেহেৰুৱে এই দুয়োটা কথা ভালকৈ উপলব্ধি কৰিছিল। খচৰা সমিটিৰ দাবীত তেওঁ কৈছিল, সমিতিৰ সামূহিক দাবীৰ যোগেদি সম্পূৰ্ণ স্ব-দৃঢ়তা প্ৰতিনিধিত্ব কৰিব কাৰণ, কেৱল খচৰা সমিতিৰ ভাৰতীয় নিৰ্বাচিত প্ৰতিনিধিসকলেহে ভাৰতীয় সংবিধান কোনো ধৰণৰ বহিঃ শক্তিৰ প্ৰভাৱ নপৰাকৈ প্ৰণয়ন কৰিব পাৰিব। দ্বিতীয়তে, তেওঁ মত প্ৰকাশ কৰিছিল যে খচৰা সমিতি অকল জনসাধাৰণৰ আৰু যোগ্য আইনবিদৰ সমাগম নহয়। ই ৰাষ্ট্ৰৰ এক 'চলমান পদক্ষেপ, অতীতৰ ৰাজনৈতিক আৰু সম্ভৱত সামাজিক গাঁথনি আঁতৰাই এক নতুন ৰূপত উপস্থাপনৰ প্ৰয়াস।' ভাৰতীয় সংবিধান এনে ধৰণেৰে গঠন কৰা হৈছে, য'ত পুৰণিকলীয়া ৰাজকীয় ব্যৱস্থা আঁতৰাই এক নতুন স্বতন্ত্ৰ সমতা

DAILY ASSAM



আৰু ন্যায়িক যুগৰ আৰম্ভ কৰিছে। এই দৃষ্টিভংগীৰ সাংবিধানিক গণতান্ত্ৰিক তত্বৰ পৰিৱৰ্তন কৰাৰ শক্তি আছে। এই দৃষ্টিভংগী অনুযায়ী সংবিধান অকল জনসাধাৰণৰ শক্তি সীমিত ৰখাৰ বাবে গঠন কৰা নহয়, বৰঞ্চ আগৰে পৰা বঞ্চিত হৈ অহা লোকসকলক শক্তিশালী কৰাত সহায় কৰে। সংবিধানে সাৰ্বজনীনভাৱে মঙ্গল হোৱাত সহায় কৰে।

## আমি কিয় খচৰা সমিতিৰ বিষয়ে জানিব লাগে? (Why do we need to go back to the Constituent Assembly?)

আমি কিয় পিছলৈ উভটি চাওঁ আৰু নিজকে অতীতৰ সৈতে সাঙুৰি ৰাখো? আইনগত আৰু ৰাজনৈতিক আদৰ্শৰ ভিত্তি বিচাৰি অতীতলৈ উভটি যোৱা— সেই কামটো এজন বৈধ বুৰঞ্জীবিদৰ হ'ব পাৰে। সংবিধান ৰচয়িতাসকলৰ অভিপ্ৰায় আৰু উদ্বিগ্নতা অধ্যয়নৰ বাবে ৰাজনীতি বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকল কিয় আগ্ৰহী হোৱা উচিত? পৰিবৰ্তিত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সংবিধানৰ এটা নতুন আৰু আদৰ্শগত, কাৰ্যৰ

***কাৰ্য্যাৱলী***

তলৰ অধ্যায়ত উল্লেখ থকা সাংবিধানিক সভাৰ বিতৰ্কসমূহ পুনৰ অধ্যয়ন কৰা। তুমি ভাবিছা নেকি যে এই আলোচনাসমূহ বৰ্তমান যুগতো খাপ খায় কিয়?

১। দ্বিতীয় অধ্যায় আৰু

২। সপ্তম অধ্যায় — পঢ়ি চোৱা

### সংজ্ঞা নিৰ্ধাৰণৰ বাবে বিচাৰ কৰি নাচাওঁ কিয়?

আমেৰিকাৰ ক্ষেত্ৰত — সংবিধান লিখা হৈছিল ওঠৰশ শতিকাৰ শেষ ভাগত — বৰ্তমান একৈশ শতিকাত তাৰ মূল্য আৰু মানদণ্ডৰ মূল্যায়ণ কৰিব নোৱাৰি। কিন্তু ভাৰতৰ ক্ষেত্ৰত প্ৰাচীন গাঁথনিৰ তুলনাত বৰ্তমান যুগৰ দ্ৰুত পৰিবৰ্তন ঘটা নাই। আমাৰ মূল্যবোধ, আদৰ্শ আৰু ধাৰণাৰ ক্ষেত্ৰত খচৰা সমিতিয়ে প্ৰস্তুত কৰা আদৰ্শৰ পৰা পৃথক হৈ যোৱা নাই। আমাৰ সংবিধানৰ ঐতিহ্য বৰ্তমানেও জীয়াই আছে।

আমি ৰাজনৈতিক আৰু ন্যায়িক ব্যৱহাৰৰ ক্ষেত্ৰত বহু কথাই সাধাৰণভাৱে লওঁ।

DAILY ASSAM





এইটো কঠিন। তেওঁলোকে আমাক কিয় সৰলভাৱে কব পৰা নাছিল, এই সংবিধানৰ দৰ্শন কি? ই লুপ্ত হৈ থাকিলে সাধাৰণ নাগৰিকে ইয়াৰ দৰ্শন কেনেকৈ বুজি পাব!

ফলস্বৰূপে ইয়াত থকা আনুষ্ঠানিক নীতিসমূহৰ প্ৰাসংগিকতাক উলাই কৰো। যেতিয়া এইসমূহ ভালেৰে চলি থাকে, ই অপকাৰ নকৰে। কিন্তু, যেতিয়াই ইয়াৰ ব্যৱহাৰিকৰণে প্ৰত্যাহ্বানৰ সন্মুখীন হয়, তেতিয়া সাংবিধানিক নীতিসমূহে অপকাৰ কৰিব পাৰে। সেইবাবেই আমি সাংবিধানিক সভাৰ বাদানুবাদৰ সময়লৈ উভতি যাব লাগে, লগতে সময় সাপেক্ষে ঔপনিৱেশিকতা যুগলৈও উভতি যাব লগা হ'ব পাৰে আৰু সেয়ে, আমাৰ সংবিধানৰ ৰাজনৈতিক দাৰ্শনিকতাৰ কথা মনত ৰাখিব লাগে।

## আমাৰ সংবিধানৰ ৰাজনৈতিক দৰ্শন কি (What is the Political Philosophy of our Constitution)

এটা শব্দত এই দৰ্শনক বাখ্যা কৰা অতি জটিল। কাৰণ এই দৰ্শনক বিভিন্ন ধৰণেৰে ব্যাখ্যা কৰিব পাৰি। যেনে — স্বতন্ত্ৰ, গণতন্ত্ৰ, সমতা, ধৰ্মনিৰপেক্ষতা আৰু যুক্তৰাষ্ট্ৰ ইত্যাদি। এক যুটীয়া ৰাষ্ট্ৰীয় পৰিচয় গঠনৰ প্ৰচেষ্টাত, কোনো

### ব্যঙ্গ চিত্ৰখন পঢ়া




Shankar. Copyright: Children's Book Trust.

এই খেলপথাৰত যেতিয়া সকলো আদৰ্শ উন্মুক্ত হৈ পৰে, গণতন্ত্ৰ তেতিয়া আম্পায়াৰ হয়।

DAILY ASSAM



ধৰণৰ ধাৰ্মিক বা ভাষিক পাৰ্থক্যৰ সৃষ্টি নকৰাকৈ প্ৰত্যেকটো গোটক একোটা জাতিৰূপে গঠন কৰাত অৰিহণা যোগোৱা। চমুকৈ ক'বলৈ হ'লে — ইয়াত স্বতন্ত্ৰতা, সমতা, সামাজিক ন্যায় আৰু জাতীয় একতা নিহিত আছে। কিন্তু, গভীৰভাৱে বিশ্লেষণ কৰিলে ই বিশেষকৈ শান্তি আৰু গণতান্ত্ৰিক পদ্ধতিৰে ইয়াৰ দৰ্শনক ব্যৱহাৰ কৰা দেখা গৈছে।

## ব্যক্তিগত স্বাধীনতা (Individual Freedom)

সংবিধানৰ প্ৰথম গুৰুত্বপূৰ্ণ দিশটো হৈছে ব্যক্তিগত স্বাধীনতা। ই এটা শতিকাৰ বিবৰ্তনৰ মাজেৰে অহা মানসিক আৰু ৰাজনৈতিক কাৰ্যৰ ফলস্বৰূপ। উনৈশ শতিকাৰ আগভাগত, ৰামমোহন ৰায়ে বৃটিছ ঔপনিৱেশ ৰাষ্ট্ৰই সংবাদ মাধ্যমৰ স্বতন্ত্ৰতা খৰ্ব কৰা কাৰ্যক প্ৰতিবাদ কৰিছিল। তেখেতে কৈছিল যে — ৰাষ্ট্ৰৰ মূল কৰ্তব্য হৈছে প্ৰত্যেকজন ব্যক্তিৰ নিজস্ব প্ৰয়োজনখিনি প্ৰকাশৰ বাবে এক মাধ্যমৰ দৰকাৰ। সেইবাবে ৰাষ্ট্ৰ এখনে সংবাদ মাধ্যমৰ অধিকাৰক সীমাৱদ্ধ কৰিব নোৱাৰে। একে ধৰণে ভাৰতীয়সকলে বৃটিছ শাসনৰ সময়ত এক স্বাধীন মাধ্যমৰ দাবী কৰিছিল।

সেইবাবেই ভাৰতীয় সংবিধানৰ এক গুৰুত্বপূৰ্ণ অংশ হৈছে — 'মতামত প্ৰকাশৰ স্বাধীনতা।' লগতে স্বতন্ত্ৰতাক সকলো দিশৰ পৰাই সীমাৱদ্ধ কৰি ৰখাটো সংবিধানৰ লক্ষ্য। ৰাওলাট আইনক বিৰোধিতা কৰোতে স্বতন্ত্ৰতা আন্দোলনকাৰীসকলে তেওঁলোকৰ নিজস্ব স্বতন্ত্ৰতাকে আওঁকান কৰিছিল। এইবিলাক আৰু অন্যান্য ব্যক্তিগত স্বতন্ত্ৰতাসমূহ হৈছে, উদাৰবাদীসকলৰ এক অংশ। এই ভিত্তিতেই ক'ব পাৰি যে, ভাৰতীয় সংবিধানখন উদাৰবাদী ভাৱধাৰাৰ ওপৰত নিৰ্মিত হৈছে। ইতিমধ্যে মৌলিক অধিকাৰৰ অধ্যায়টোতেই সংবিধানে কিদৰে ব্যক্তিগত স্বতন্ত্ৰতাক গুৰুত্ব দিছে, সেই বিষয়ে আলোচনা কৰা হৈছে। সংবিধানখন প্ৰণয়ন কৰাৰ ৪০ বছৰ পূৰ্বৰ পৰাই ভাৰতীয় জাতীয় কংগ্ৰেছে ব্যক্তিগত অধিকাৰক অনায়াসে গুৰুত্ব দিয়া দেখা যায়।

## সামাজিক ন্যায় (Social Justice)

আমি যেতিয়া ভাৰতীয় সংবিধানক উদাৰবাদী বুলি আখ্যা দিওঁ, তেতিয়া ই ঐতিহ্যগত পশ্চিমীয়া উদাৰনৈতিক ভাৱধাৰাক নুবুজায়। ৰাজনৈতিক তত্ত্বৰ কিতাপত উদাৰতাবাদৰ সম্পৰ্কে তোমালোকে বহু কথাই শিকিব পাৰিবা। ই সদায়েই ব্যক্তিগত অধিকাৰ, সামাজিক ন্যায় আৰু সাম্প্ৰদায়িক মূল্যক অগ্ৰাধিকাৰ দিয়ে।

DAILY ASSAM



**তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা**

ব্যক্তিগত স্বতন্ত্ৰতাৰ অংশ তলত দিয়াসমূহত বিচাৰ কৰা

- মতামতৰ স্বতন্ত্ৰতা
- ধৰ্মীয় স্বতন্ত্ৰতা
- সংখ্যালঘুৰ সাংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰ
- ৰাজহুৱা স্থানত সমতা

ভাৰতীয় সংবিধানৰ ক্ষেত্ৰত উদাৰনৈতিক দৃষ্টিভংগীয়ে দুটা কথা বুজায়। প্ৰথমতে ইয়াক সামাজিক ন্যায়ৰ সতে জড়িত কৰিব পাৰি। তাৰ এটা গুৰুত্বপূৰ্ণ উদাহৰণ হৈছে পিছপৰা জাতি-জনজাতিৰ বাবে থকা সংৰক্ষণৰ ব্যৱস্থা। সংবিধানৰ প্ৰণেতাসকলে বিশ্বাস কৰিছিল যে, কেৱল সমতাৰ অধিকাৰ দিয়াৰ ফলত বৃদ্ধ অৱস্থাৰ দুখ বা প্ৰত্যেককে ভোটদানৰ অধিকাৰ ব্যৱস্থা কৰি সহায় কৰাটোৱেই নুবুজায়। তেওঁলোকৰ স্বাৰ্থ বিকাশৰ বাবে কিছুমান বিশেষ সাংবিধানিক ব্যৱস্থাৰ প্ৰয়োজন। সেইবাবেই সংবিধানৰ প্ৰণেতাসকলে পিচপৰা জাতি-জনজাতিৰ স্বাৰ্থ ৰক্ষাৰ বাবে বিধানমণ্ডলৰ স্থান সংৰক্ষণৰ ব্যৱস্থা কৰিছে। সংবিধানে ইয়াৰ উপৰিও বিভিন্ন দিশত চাকৰিৰ ব্যৱস্থা কৰিছে।



*আৰু যেতিয়া সামাজিক ন্যায়ৰ কথা কয়, আমি তেতিয়া নিৰ্দ্দেশাত্মক নীতি পাহৰিব নালাগে।*

ভাৰতীয় উদাৰনৈতিকতাৰ দুটা দিশ আছে। প্ৰথম দিশটো আৰম্ভ হয় ৰামমোহন ৰায়ৰ পৰা। তেওঁ ব্যক্তিগত অধিকাৰ, বিশেষকৈ নাৰীৰ অধিকাৰক গুৰুত্ব দিছিল। দ্বিতীয় দিশত কে. চি. চেন, ৰাণা ন্যায়াধীশ দে আৰু স্বামী বিবেকানন্দৰ কথা উল্লেখযোগ্য। তেওঁলোকে হিন্দুত্বৰ মাজেদি সামাজিক ন্যায় আৰম্ভ কৰিছিল।

DAILY ASSAM



## অনৈক্যতা আৰু সংখ্যালঘুৰ অধিকাৰৰ প্ৰতি সন্মান (Respect for diversity and minority rights)

ভাৰতীয় সংবিধানে বিভিন্ন সম্প্ৰদায়সমূহৰ মাজত ঐক্যতা আনিব খোজে। এয়া আমাৰ দেশত সহজ নহয়। কাৰণ প্ৰথমতে, বিভিন্ন সম্প্ৰদায়সমূহৰ সম্পৰ্ক সমতাৰ ওপৰত নিৰ্ভৰ নহয়, তেওঁলোকৰ সম্পৰ্ক অধিক্ৰম নীতিৰ ওপৰত নিৰ্ভৰশীল। দ্বিতীয়তে, সমানভাৱে চাবলৈ যাওঁতে তেওঁলোকৰ মাজত শত্ৰুতা বাঢ়ে। এইটো সংবিধান প্ৰণেতাসকলৰ বাবে এক প্ৰত্যাহ্বান কেনেধৰণেৰে সম্প্ৰদায়সমূহৰ মাজত পাৰস্পৰিক উদাৰনৈতিক দৃষ্টিভংগী অনা যায় আৰু বলপূৰ্বকভাৱে অধিক্ৰম নীতিৰ যোগেদিও অনৈক্যৰ মাজত ঐক্য আনিব পাৰি?



*মই কোন এই কথাত মই সদায় আচৰিত হওঁ, মোৰ বহুতো পৰিচয় আছে। মোৰ ধৰ্মীয় পৰিচয় আছে, মোৰ ভাষীক পৰিচয় আছে, মোৰ আত্মীয় নগৰৰ সৈতে সম্পৰ্ক আছে আৰু নিশ্চয়কৈ মই এজন ছাত্ৰও।*

এই সমস্যাটো সহজতে নিৰাময় কৰিব পৰা গ'লহেতেন, যদিহে পশ্চিমীয়া উদাৰনৈতিক সংবিধানসমূহৰ দৰে ভাৰতীয় সংবিধানেও সম্প্ৰদায়সমূহক গুৰুত্ব নিদিলেহেঁতেন। কিন্তু, আমাৰ দেশত ই সম্ভৱপৰ নহয়। অৱশ্যে, এই বিভিন্ন সম্প্ৰদায়সমূহেই ইয়াৰ কাৰণ নহয়। প্ৰত্যেকৰে নিজা নিজা সাংস্কৃতিক সম্প্ৰদায় আছে আৰু প্ৰত্যেকৰে নিৰ্দিষ্ট মূল্যবোধ, পৰম্পৰা, প্ৰথা আৰু ভাষা আছে। উদাহৰণস্বৰূপে, ফ্ৰান্স আৰু জাৰ্মানীৰ ব্যক্তিসকল এক নিৰ্দিষ্ট ভাষিক, সম্প্ৰদায়ৰ লগত জড়িত আৰু তেওঁলোকৰ মাজত ঘনিষ্ঠতা আছে। আমাৰ ক্ষেত্ৰত কিন্তু সাম্প্ৰদায়িক মূল্যবোধৰ গুৰুত্ব অধিক। বিশেষকৈ ভাৰতবৰ্ষ এখন বিভিন্ন সাংস্কৃতিক-সাম্প্ৰদায়ৰ দেশ। আনহাতে জাৰ্মানী বা ফ্ৰান্সত ভাষিক আৰু ধৰ্মীয় সম্প্ৰদায় বেছি। এইখিনিতে ক'ব পাৰি যে — কোনো এটা সম্প্ৰদায়ে আন এটা সম্প্ৰদায়ক শাসন কৰিব নোৱাৰে। ইয়াৰ ওপৰতে ভিত্তি কৰি আমাৰ সংবিধানে সম্প্ৰদায়সমূহৰ ওপৰত অধিকাৰ প্ৰণয়ন কৰিছে।

এটা এনেধৰণৰ অধিকাৰ হৈছে, ধৰ্মীয় সম্প্ৰদায়সমূহে নিজা নিজা অনুষ্ঠানসমূহ প্ৰতিষ্ঠা কৰা আৰু পৰিচালনাৰ অধিকাৰ। এইক্ষেত্ৰত চৰকাৰে বিত্তীয় অনুমোদন জনায়। এই ব্যৱস্থাই ভাৰতীয় সংবিধানৰ উদাৰ প্ৰকৃতিক প্ৰকাশ কৰে।

DAILY ASSAM





তেওঁলোকে আমাক ৰাজনৈতিক তত্বৰ বিষয়ে পঢ়াবলৈ আৰম্ভ কৰিব নেকি?

**ধৰ্মনিৰপেক্ষতা (Secularism)**

ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰসমূহে ধৰ্মক কেৱল ব্যক্তিগত বিষয় বুলি স্বীকৃতি দিয়ে। ইয়াৰ অৰ্থ হৈছে, তেওঁলোকে ধৰ্মক কোনো ৰাজহুৱা বা বিভাগীয় স্বীকৃতি নিদিয়ে যদিও, ভাৰতীয় সংবিধানৰ প্ৰণয়নৰ সময়ত 'ধৰ্মনিৰপেক্ষ' শব্দটো উল্লেখ নাছিল কিন্তু, ধৰ্মনিৰপেক্ষতাক সংবিধানে সদায়েই মানি আহিছে। পশ্চিমীয়া দৃষ্টিত ধৰ্মনিৰপেক্ষতাৰ অৰ্থ বেলেগ।

এই বিষয়ে ৰাজনৈতিক তত্বত পিছলৈ বহলাই পাবা। পাশ্চাত্য শব্দ 'পাৰস্পৰিক বিৰুদ্ধাচৰণ' ৰ অৰ্থ হ'ল — ৰাষ্ট্ৰ আৰু ধৰ্ম দুয়োটাই পাৰস্পৰিকভাৱে নিজ কৰ্ম কৰি যাব লাগে। ৰাষ্ট্ৰই কেতিয়াও ধৰ্মৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব নালাগে। তেনেদৰে ধৰ্মইও ৰাষ্ট্ৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব নালাগে। আনহাতেদি, ধৰ্ম আৰু ৰাষ্ট্ৰ পৃথক।

এই পৃথকীকৰণৰ কিয় প্ৰয়োজন? ইয়াৰ কাৰণ হৈছে, ব্যক্তিগত স্বতন্ত্ৰতা ৰক্ষা কৰা। যিবিলাক ৰাষ্ট্ৰই আনুষ্ঠানিকভাৱে ধৰ্মক সমৰ্থন কৰে, সেইবিলাক বেছি শক্তিশালী হৈ উঠে। যেতিয়া ধৰ্মীয় অনুষ্ঠানসমূহে ব্যক্তিৰ ধৰ্মীয় জীৱন নিয়ন্ত্ৰণ কৰে, যেতিয়া তেওঁলোকে কেনেধৰণে ঈশ্বৰৰ লগত সম্পৰ্ক স্থাপন কৰিব, সেয়া নিৰ্দেশ দিয়ে, তেতিয়াই ব্যক্তিয়ে আধুনিক ৰাষ্ট্ৰক নিজস্ব ধৰ্মীয় স্বতন্ত্ৰতাৰ সুৰক্ষাৰ বাবে ব্যৱহাৰ কৰে কিন্তু, সেই অৱস্থাত ৰাষ্ট্ৰই কেনেধৰণৰ সুৰক্ষা দিব, যদি তেওঁলোকে এনে অনুষ্ঠানৰ লগত জড়িত হৈ পৰে। সেয়েহে, ব্যক্তিৰ ধৰ্মীয় স্বতন্ত্ৰতা সুৰক্ষা কৰিবলৈ হ'লে ৰাষ্ট্ৰই কেতিয়াও ধৰ্মীয় অনুষ্ঠানক সহায় কৰিব নালাগে। লগতে ৰাষ্ট্ৰই ধৰ্মীয় অনুষ্ঠানসমূহৰ কাৰ্য পৰিচালনাৰ বিষয়েও কোনো ধৰণৰ মন্তব্য দিব নালাগে। ইয়াৰ যোগেদিও ধৰ্মীয় স্বতন্ত্ৰতাই আঘাত পাব পাৰে। সেইবাবেই ৰাষ্ট্ৰই ধৰ্মীয় অনুষ্ঠানক আওঁকান কৰিব লাগে। চমু ভাষাত ৰাষ্ট্ৰই ধৰ্মক সহায়ও কৰিব নালাগে বা উলায়ো কৰিব নালাগে। ধৰ্মক ৰাষ্ট্ৰই এক নিৰ্দিষ্ট দূৰত্বত ৰাখিব লাগে। এয়াই হৈছে প্ৰচলিত পাশ্চাত্য ধৰ্মনিৰপেক্ষতাৰ অৰ্থ।

ভাৰতবৰ্ষৰ অৱস্থা আনতকৈ বেলেগ। সেয়েহে, ধৰ্মনিৰপেক্ষতা শব্দটো সংবিধান প্ৰণেতাসকলে এক বহল অৰ্থত ব্যৱহাৰ কৰিছে। পাশ্চাত্যৰ দেশতকৈ

DAILY ASSAM



আমাৰ দেশত ধৰ্মনিৰপেক্ষতা দুটা অৰ্থত ব্যৱহাৰ হয় আৰু ইয়াৰ কাৰণ দুটা। সেয়া হ'ল —

◈ ***ধৰ্মীয় গোটৰ অধিকাৰ*** (Rights of Religious Groups)

প্ৰথমতে, ব্যক্তিগত সমতাৰ দৰে আন্তঃসাম্প্ৰদায়িক সমতাও সমানেই গুৰুত্ব পূৰ্ণ। ইয়াৰ কাৰণ হৈছে — ব্যক্তিৰ স্বতন্ত্ৰতা নিৰ্ভৰ কৰে তেওঁৰ সম্প্ৰদায়িক মৰ্যাদাৰ ওপৰত। যদি এটা সম্প্ৰদায়ক আন এটা সম্প্ৰদায়ে অৱদমন কৰে, তেতিয়া ইয়াৰ সদস্যসকলৰ স্বতন্ত্ৰতা সীমাৱদ্ধ হৈ পৰে। আনহাতেদি, তেওঁলোকৰ সম্পৰ্ক সমান হব যদিহে কোনো ধৰণৰ অৱদমন নাথাকে, তেতিয়াহে তেওঁলোকে মৰ্যাদা, আত্মসন্মান আৰু স্বতন্ত্ৰতাৰে আগুৱাই যাব পাৰিব। সেয়েহে, ভাৰতীয় সংবিধানে ধৰ্মীয় অনুষ্ঠান, শিক্ষা অনুষ্ঠান আদি প্ৰতিষ্ঠা আৰু পৰিচালনা কৰাৰ অধিকাৰ প্ৰদান কৰিছে। ভাৰতবৰ্ষত ধৰ্মীয় স্বাধীনতাই ব্যক্তি আৰু সম্প্ৰদায় এই দুয়োটাৰ ধৰ্মীয় স্বাধীনতাকে বুজায়।

◈ ***ৰাষ্ট্ৰৰ হস্তক্ষেপৰ ক্ষমতা*** (State's Power of Itervention)

দ্বিতীয়তে, ভাৰতবৰ্ষৰ পৃথকীকৰণ কেতিয়াও পাৰস্পৰিক বৰ্হিভুক্ত হ'ব নোৱাৰে। কিয় তেনেকুৱা হয়? কাৰণ, ধাৰ্মীকভাৱে স্বীকৃত ৰীতি-নীতি যেনে— অস্পৃশ্যতাই ব্যক্তিক আটাইতকৈ গুৰুত্বপূৰ্ণ মৰ্যাদা আৰু আত্ম সন্মানৰ পৰা বঞ্চিত কৰে। সেই ৰীতি-নীতিবোৰ ইমান গভীৰভাৱে শিপাই আছিল আৰু বিয়পি পৰিছিল যে, ৰাষ্ট্ৰৰ সক্ৰিয় হস্তক্ষেপ অবিহনে সেইবোৰ আতঁৰোৱাই পেলোৱাৰ কোনো আশা নাছিল। ৰাষ্ট্ৰই ধৰ্মীয় কাৰ্যত মাত্ৰ হস্তক্ষেপ সদায় নকাৰাত্মক নাছিল ৰাষ্ট্ৰই ধৰ্মীয় সম্প্ৰদায়সমূহকো সহায় কৰিব পাৰিছিল তেওঁলোকৰ দ্বাৰা পৰিচালিত শিক্ষানুষ্ঠানসমূহলৈ সাহাৰ্য আগবঢ়াব পাৰে অথবা বাধা দিব পাৰে যাৰ ওপৰত নিৰ্ভৰ কৰি কাৰ্য ব্যৱস্থাই স্বাধীনতা, সমতাৰ দৰে মূল্যবোধৰ সৃষ্টি কৰিব পাৰে। ভাৰতবৰ্ষত ধৰ্ম আৰু ৰাষ্ট্ৰৰ



*মই চূড়ান্ত ভাৱে জানিব বিচাৰো ৰাষ্ট্ৰই ধৰ্ম পৰিচালনা কৰিব পাৰে নে নোৱাৰে। আনহাতে তাত ধৰ্মীয় সংস্কাৰ হব নোৱাৰে*

DAILY ASSAM



পৃথকীকৰণে পাৰম্পৰিক বিৰোধীতা নুবুজাইছিল, বৰং কিন্তু নীতিগত দূৰত্ব, এটা কঠিন ধাৰণা যি সকলো ধৰ্মৰ পৰা ৰাষ্ট্ৰক এটা দূৰত্ব বজাই ৰখাত অনুমতি দিছে, সেইকাৰণে ই বাধা দিব পাৰে বা হস্তক্ষেপৰ পৰা বিৰত ৰাখিব পাৰে, যি দুটা স্বতন্ত্ৰতা, সমতা আৰু সামাজিক ন্যায় উন্নত কৰাত ভাল তাৰ ওপৰত নিৰ্ভৰশীল।এইটো উল্লেখযোগ্য যে আমাৰ সংবিধানত তিনিটা মূল বৈশিষ্ট্য আছে— সেইবোৰ আমাৰ সাংবিধানৰ প্ৰাপ্তি হিছাপে ভাবি চাবও পাৰো।

- প্ৰথমতে, আমাৰ সংবিধানে ব্যক্তিগত স্বাধীনতা নতুন ৰূপতো উপস্থাপন কৰে। এইটো গুৰুত্বপূৰ্ণ আহৰিত অংশ কাৰণ, বিবিধ সাম্প্ৰদায়িক মূল্যবোধৰ মাজেৰে সমাজত ইয়াক প্ৰতিষ্ঠাপন কৰা হ'ব।
- দ্বিতীয়তে আমাৰ সংবিধানে সামাজিক নীতি বলবৎ কৰোতে ব্যক্তিগত স্বতন্ত্ৰতাৰ লগত বুজাবুজি নকৰে। ভাৰতৰ সাংবিধানিক কাৰ্য্যসমূহৰ দ্বাৰা দেখা যায় যে, অন্য ৰাষ্ট্ৰতকৈ আমাৰ দেশত জাতি নিৰ্ভৰ ধনাত্মক কাৰ্য বেছিকৈ কৰা হয়।
- সংবিধানে গোটৰ অধিকাৰসমূহক ('সাংস্কৃতিক মত প্ৰকাশ' অধিকাৰ ইত্যাদি) অধিক গুৰুত্ব দিয়ে যদিও, আমাৰ সমাজত আন্তঃসাম্প্ৰদায়িক সংঘাত অতীতৰ পৰাই চলি আহিছে। ই এয়াই বুজায় যে — সাংবিধানিক প্ৰণেতাসকলে প্ৰণয়নৰ সময়তেই ভাৰতীয় সমাজৰ বহু-সাংস্কৃতিক বৈশিষ্ট্যক গুৰুত্ব দিছিল।

### প্ৰাপ্তবয়স্ক ভোটাধিকাৰ (Universal Franchise)


সংবিধানৰ আৰু দুটা বৈশিষ্ট্য আছে, যিকেইটা গুৰুত্বপূৰ্ণ। প্ৰথমটো হৈছে ব্যক্তিক দিয়া প্ৰাপ্তবয়স্কৰ ভোটাধিকাৰ ব্যৱস্থাটো। ভাৰতবৰ্ষৰ পাৰম্পৰিক অধিক্ৰম নীতিৰ বিপৰীতে ভোটদানৰ অধিকাৰ মহিলা আৰু বনুৱা শ্ৰেণীৰ লোকসকলক প্ৰদান কৰা হৈছে।

যি মূহুৰ্ত্ততে অভিজাত শ্ৰেণীৰ মাজত ৰাষ্ট্ৰৰ ভাৱধাৰা আৰম্ভ হয় লগে লগে গণতান্ত্ৰিক স্ব-চৰকাৰৰ আৰম্ভণি হয়। ফলস্বৰূপে ভাৰতীয় জাতীয়তাবাদে সদায়েই এক ৰাজনৈতিক ব্যৱস্থাৰ ভিত্তিত প্ৰত্যেক সামাজিক সদস্যৰ মত প্ৰকাশ কৰে। প্ৰাপ্তবয়স্ক ভোটাধিকাৰ জাতীয়তাবাদৰ মূল ভিত্তি।পূৰ্বৰ ভাৰতীয় সাংবিধানিক বিল (১৮৯৫)খনেই আছিল অনানুষ্ঠানিক প্ৰথমটো প্ৰচেষ্টা। এই প্ৰচেষ্টাৰ যোগেদি প্ৰত্যেকজন ভাৰতীয় নাগৰিকক দেশৰ সকলো কাৰ্য্যত লিপ্ত হোৱাৰ অধিকাৰ, লগতে

DAILY ASSAM



'সাংবিধানিক সভাই প্ৰাপ্তবয়স্কৰ ভোটাধিকাৰৰ নীতিক বলবৎ কৰি জনসাধাৰণক আৰু গণতান্ত্ৰিক শাসনক অটুট বিশ্বাস ৰাখি, লগতে গণতান্ত্ৰিক চৰকাৰ ব্যৱস্থাক ভোটাধিকাৰৰ দ্বাৰা সাব্যস্ত কৰি ..... প্ৰত্যেকৰে কল্যান সাধন .....'



আল্লাৰি কৃষ্ণস্বামী আয়াৰ
CAD, Vol. XI. P. 835.



*এইটো এটা নিশ্চয়কৈ বৰ্গ কৰা বিষয় যে 'এজন মনুহ এটা ভেটি' নীতিটো প্ৰায় প্ৰতিবাদ নোহোৱাকৈ গ্ৰহণ কৰা হৈছিল। এইটো সত্য নহয় নে যে বহুতো দেশৰ মহিলাসকলে তেওঁলোকৰ ভোটাধিকাৰৰ বাবে সংগ্ৰাম কৰিব লগীয়া হৈছিল?*

ৰাজহুৱা কাৰ্য্যালয়ত দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ সন্মতি দিয়া হৈছিল। মতিলাল নেহৰুৰ ৰিপৰ্ট (১৯২৮) ৰ দ্বাৰা নাগৰিকত্বৰ এই ভাৱধাৰাক পুনৰবাৰৰ বাবে গুৰুত্ব দিয়া হৈছিল। ইয়াত উল্লেখ আছিল প্ৰত্যেকজন ব্যক্তিয়েই একৈশ বছৰ বয়সত ভোটদানৰ অধিকাৰ পাব। সেয়ে, পূৰ্বৰ পৰাই প্ৰাপ্তবয়স্ক ভোটাধিকাৰটো ৰাষ্ট্ৰৰ মত প্ৰকাশ কৰাৰ এক গুৰুত্বপূৰ্ণ মাধ্যম বুলি কোৱা হয়।

## যুক্তৰাষ্ট্ৰবাদ (Federalism)

দ্বিতীয়তে, ভাৰতীয় সংবিধানৰ অনুচ্ছেদ (৩৭২) জম্মু-কাশ্মীৰ আৰু (৩৭১) উত্তৰ-পূৰ্বাঞ্চলত যুক্তৰাষ্ট্ৰৰ অন্য এটা দিশক গুৰুত্ব দিয়া হৈছে। সংবিধানে কেন্দ্ৰীয় চৰকাৰক বেছি শক্তিশালী ৰূপত স্থাপন কৰিছে। এই অযুক্তৰাষ্ট্ৰীয় ব্যৱস্থা থকা সত্ত্বেও সাংবিধানিকভাৱে ৰাজ্যসমূহক বিধিগত লগতে অন্যান্য ক্ষমতাৰ ব্যৱস্থা দিয়া আছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ পদ্ধতিগত ব্যৱস্থাৰ বিপৰীতে ভাৰতীয় সংবিধানত যুক্তৰাষ্ট্ৰ ব্যৱস্থা প্ৰচলিত। নিৰ্দিষ্ট প্ৰয়োজনখিনি পূৰ কৰাৰ বাবে ভাৰতীয় সংবিধানত কিছুমান বিশেষ ব্যৱস্থা আছে।

উদাহৰণস্বৰূপে — জম্মু আৰু কাশ্মীৰ ভাৰতবৰ্ষৰ এক অংগ হিচাপে

DAILY ASSAM





*মই সচাঁকৈ অনুভৱ কৰিছো। কোনে কৈছে আমাৰ সংবিধানখন অনুকৰণ কৰা। ধাৰ কৰা প্ৰতিটো দিশতে আমি আমাৰ স্পষ্ট ভাৱ সুমোৱাইছো।*

ৰাখিও স্বায়ত্ত শাসন প্ৰদানৰ ব্যৱস্থা সংবিধানৰ অনুচ্ছেদ ৩৭০ ত উল্লেখ আছে। এইখনেই একমাত্ৰ ৰাজ্য যাৰ নিজস্ব সংবিধান আছে। একেধৰণেই অনুচ্ছেদ ৩৭১ (ক) ৰ জড়িয়তে উত্তৰ-পূৰ্বাঞ্চলৰ নাগালেণ্ডক বিশেষ ব্যৱস্থা দিয়া হৈছে। এই অনুচ্ছেদৰ যোগেদি নাগালেণ্ডৰ পাৰস্পৰিক আইনসমূহ সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰা হৈছে। ভাৰতীয় সংবিধানৰ মতে, এনেধৰণৰ পাৰ্থক্যগত ব্যৱস্থাই কোনো ধৰণৰ বেয়া প্ৰভাৱ নেপেলায়।

ভাৰতীয় সংবিধান বৰ্তমান এক বিবিধ-ভাষিক যুক্তৰাষ্ট্ৰ। প্ৰত্যেকটো ভাষিক গোটক ৰাজনৈতিকভাৱে স্বীকৃতি দি সমানভাৱে লোৱা হৈছে। তেনেধৰণেৰে গণতান্ত্ৰিক আৰু ভাষিক যুক্তৰাষ্ট্ৰই সাংস্কৃতিক সমন্বয়তাৰ যোগেদি একতা আনিবলৈ সফল হৈছে।

## জাতীয় পৰিচয় (National Indentity)

সংবিধানে সকলো সময়তে এক সাধাৰণ জাতীয় পৰিচয় প্ৰতিস্থাপন কৰাত গুৰুত্ব দিয়ে। এই অধ্যায়ত তোমালোকে ভাৰতবৰ্ষত কেনেধৰণে আঞ্চলিক পৰিচয় প্ৰতিস্থাপন কৰি জাতীয় পৰিচয় বজাই ৰখা হয় তাৰ বিষয়ে অধ্যয়ণ কৰিলা। ওপৰত উল্লেখ থকা অধ্যয়ণৰ পৰা এইটো স্পষ্ট যে, সাধাৰণ জাতীয় পৰিচয় প্ৰকৃত ধৰ্ম বা ভাষিক পৰিচয়ৰ লগত তুলনাযোগ্য নহয়। ভাৰতীয় সংবিধানে বিবিধ পৰিচয়ৰ মাজেৰে সমন্বয় ৰক্ষাৰ প্ৰচেষ্টা কৰিছে। কিছুমান বিশেষ কাৰণৰ বাবে সাধাৰণ পৰিচয়ক গুৰুত্ব দিয়া হৈছে। এইটো স্পষ্ট হৈছে বিবিধ নিৰ্বাচক মণ্ডলীৰ বিতৰ্কৰ পৰা যিটোৰ ভিত্তি হৈছে ধৰ্মীয় পৰিচয়, সেইটোক সংবিধানে নাকচ কৰিছে। বিবিধ নিৰ্বাচক মণ্ডলীয়ে নাকচ কৰা কাৰণ হ'ল ইয়াৰ মাজত ধাৰ্মিক সম্প্ৰদায়সমূহৰ ভেদাভেদ আছে বা ই জাতীয় ঐক্যত আঘাত কৰি যাব বাবে আমাৰ এক সুষ্ঠ জাতীয় জীৱন নিৰ্বাহ কৰাত অসুবিধাৰ সৃষ্টি হয়। আমাৰ সংবিধানে শক্তিৰে ঐক্যতা স্থাপন নকৰি শুদ্ধ ভাতৃত্বতাক গুৰুত্ব দিয়ে, যিটো ডঃ আম্বেদকাৰৰ মূল লক্ষ্য। চৰ্দাৰ পেটেলে কোৱাৰ দৰে, মূল লক্ষ্য হৈছে 'ঐক্যবদ্ধ সম্প্ৰদায়' গঠন কৰা।

DAILY ASSAM



'কিন্তু সময়ৰ লগে লগে এইটো সকলোৰে স্বাৰ্থৰ বাবে পাহৰি যোৱা উচিত যে, সংখ্যাগৰিষ্ঠ বা সংখ্যালঘু আমাৰ দেশত আৰু ভাৰতত কেৱল মাত্ৰ এটাই সম্প্ৰদায় আছে .....'



চৰ্দাৰ পেটেল
CAD, Vol.VIII, p.272

**বিধিগত প্ৰাপ্য সমূহ (Procedural Achievements)**

এই পাঁচটা প্ৰাপ্য সমূহক সংবিধানৰ বহুমূলীয়া আহৰণ বুলিব পাৰি। ইয়াৰ উপৰিও আন কেইটামান বিধিগত প্ৰাপ্য আছে।

- প্ৰথমতে, ভাৰতীয় সংবিধানত এক ৰাজনৈতিক চিন্তাধাৰাৰ ওপৰত বিশ্বাস কৰা পৰিলক্ষিত হয়। আমি অৱগত যে প্ৰায় বহুতো গোট আৰু বিবিধ স্বাৰ্থ ভালদৰে সাংবিধানিক সভাত প্ৰতিনিধিত্ব হোৱা নাই। কিন্তু, সভাৰ বিতৰ্কত দেখা যায় যে, সংবিধান প্ৰণেতাসকলে তেওঁলোকৰ প্ৰচেষ্টাৰ দ্বাৰা সকলোকে সামৰি লব খুজিছিল। এই খোলা-সমাপ্তীকৰণে প্ৰকাশ কৰিছে যে, মানুহৰ ইচ্ছা শক্তিক বৰ্তমান গুৰুত্বতকৈ পৰিৱৰ্তন কৰিব পাৰি। চমুকৈ, ফলাফলসমূহক ন্যায়পূৰ্ৱকভাৱে চাবলৈ হ'লে কাৰণসমূহক জনস্বাৰ্থতকৈ অধিক গুৰুত্ব দিব লাগে। ইয়াৰ লগতে দেখা যায় যে, এক ইচ্ছাশক্তিৰ যোগেদি সৃষ্টি হোৱা মূল্যবোধ অলপ বেলেগ আৰু অ-মতামতৰ দ্বাৰা স্বীকৃতি দিয়া হয়।
- দ্বিতীয়তে, ই উপযুক্ততা আৰু সন্মতি ভাৱৰ প্ৰতিচ্ছবি দাঙি ধৰে। আন শব্দত উপযুক্ততা আৰু সন্মতি সকলো অৱস্থাত অ-প্ৰমাণিত নহয়। সকলোবোৰ সন্মতি বেয়া নহয়। যদি কিছুমান মূল্যবোধ নিজ-স্বাৰ্থৰ বাবে আদান-প্ৰদান হয়, তেনে অৱস্থাত আমাৰ সন্মতিৰ ক্ষেত্ৰত বেয়াৰ ফালে যোৱা স্বাভাৱিক। আন ফালে যদি এটা মূল্যবোধ সমসাময়িক লোকৰ মাজত আদান-প্ৰদান হয়, তেনে অৱস্থাত ফলাফল পৰিলক্ষিত কৰা জটিল। আমি ক'লেই নহ'ব যে, আমি সকলোবোৰ

DAILY ASSAM



পাব নোৱাৰো, কিন্তু সকলোবোৰৰ অলপ আহৰণ কৰিব পৰাটো নৈতিকভাৱে কম গুৰুত্বপূৰ্ণ নহয়। ইয়াৰ উপৰিও এটা ধাৰণাৰ ওপৰত সম্পূৰ্ণ বিশ্বাস কৰা, যিটো হৈছে গুৰুত্বপূৰ্ণ সমস্যাৰ সিদ্ধান্তত উপনিত হ'বলৈ সন্মত হোৱা যদিও সংখ্যাগৰিষ্ঠতা নৈতিকভাৱে সমানেই প্ৰশংসনীয়।



*আনুষ্ঠানিক আৰ্হিত আপোচ কৰাটো মই বুজি পাইছো। কিন্তু বিপৰীত ধৰ্মী নীতিবোৰ কেনেকৈ সুবিধাজনক কৰিব?*

### সমালোচনা

ভাৰতীয় সংবিধানক বহু দিশত সমালোচনা কৰা হয় যদিও তিনিটা সমালোচনা চমুকৈ উল্লেখ কৰিব পাৰি। প্ৰথমতে, ই অ-পৰিচালিত, দ্বিতীয়, ই অ-প্ৰতিনিধিত্ব আৰু তৃতীয়, ই আমাৰ অৱস্থাৰ লগত খাপ নাখায়।

এখন দেশৰ সংবিধানখন সংক্ষেপ দলিলৰ ৰূপত হ'ব লাগে, কিন্তু ভাৰতীয় সংবিধানখন এনে নহয় কাৰণেই অ-পৰিচালনীয় বুলি সমালোচনা কৰা হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধানখন সংক্ষেপ হোৱা সত্ত্বেও এইখনক পৰিচালনীয় বুলি ক'ব নোৱাৰি। প্ৰকৃততে, এখন দেশৰ সংবিধানখন সংক্ষেপ দলিল হোৱাৰ উপৰিও অন্য সাংবিধানিক মৰ্য্যাদা থকা লিখিত দলিল সমূহৰ লগত মিল থকাটো উচিত। সেইবাবেই এইটো সম্ভৱ যে, গুৰুত্বপূৰ্ণ সাংবিধানিক বৰ্ণনাসমূহ পোৱাৰ লগতে সম্পাদিত কাৰ্য্যসমূহ সংক্ষেপ দলিলৰ ৰূপত পোৱা নাই। ভাৰতবৰ্ষৰ ক্ষেত্ৰত বহুবিলাক কাৰ্য আৰু বৰ্ণনা এখন দলিলত থকাৰ ফলস্বৰূপে ইয়াৰ আকৃতি বহল ধৰণৰ। বহুতো দেশত, নিৰ্বাচনী আয়োগ বা লোকসেৱা আয়োগৰ বিষয়ে কোনো ব্যৱস্থাৰ উল্লেখ নাথাকে। কিন্তু, ভাৰতবৰ্ষত বহু বিষয়ক সাংবিধানিক দলিলত সামৰি লোৱা হৈছে।

দ্বিতীয়তে, সংবিধানখন অ-প্ৰতিনিধিত্ব বুলি সমালোচনা কৰা হৈছে। তোমালোকৰ মনত পৰেনে কেনেকৈ সাংবিধানিক সভা গঠন কৰা হৈছিল? সেইসময়ত প্ৰাপ্তবয়স্ক ভোটাধিকাৰ দিয়া হোৱা নাছিল আৰু প্ৰায়বোৰ সদস্য সমাজৰ পৰিৱৰ্তিত শ্ৰেণীৰ আছিল। এইটো কাৰণৰ বাবে আমাৰ সংবিধানখন অ-প্ৰতিনিধিত্বমূলক বুলি ক'ব পাৰি নেকি?

এইখিনিতে আমি প্ৰতিনিধিত্বৰ দুটা ভাগৰ পাৰ্থক্য উল্লেখ কৰা প্ৰয়োজন। এটাক মত আৰু আনটোক মতামত বুলিব পাৰি। প্ৰথমটো ভাগ, মত অধিক গুৰুত্বপূৰ্ণ। জনসাধাৰণক তেওঁলোকৰ নিজা ভাষা বা

DAILY ASSAM



মতৰ ভিত্তিত পৰিচিত কৰিব লাগে। যদি ভাৰতীয় সংবিধানক এই দিশৰ পৰা চোৱা যায় তেনেহ'লে এইখনক অ-প্ৰতিনিধিত্বমূলক বুলিব পাৰি, কাৰণ সাংবিধানিক সভাৰ সদস্যসকলক প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ দ্বাৰা নিৰ্বাচিত কৰা হোৱা নাছিল। কেতিয়াবা আমি যদি অন্য দিশটোৰেও চাওঁ, তেনেহ'লে ইয়াত সম্পূৰ্ণ প্ৰতিনিধিত্বতাৰ গুৰুত্ব নাই বুলিব নোৱাৰো। সাংবিধানিক সভাত সকলোৰে মত সমূহৰ প্ৰতিনিধিত্বত থকা বুলি কলে অলপ বেছি কৰা হ'ব। আমি যদি সাংবিধানিক সভাত হোৱা বিতৰ্কবোৰ অধ্যয়ণ কৰো আমি দেখো যে, প্ৰায়বোৰ সমস্যা আৰু মন্তব্য সদস্য সকলৰ কেৱল ব্যক্তিগত তথা সামাজিক বিষয়ৰ ওপৰতেই ভিত্তি কৰি নহয়, লগতে তেওঁলোকৰ স্বাৰ্থ আৰু বিবিধ সামাজিক শ্ৰেণীৰ ওপৰতো ভিত্তি কৰি উত্তৰ হোৱা। ড° বি. আৰ আম্বেদকাৰে সংবিধানৰ জৰিয়তে দলিত সম্প্ৰদায়ৰ অনুভূতিসমূহ প্ৰকাশ কৰাৰ চেষ্টা কৰিছিল।

তৃতীয়তে, ভাৰতীয় সংবিধানক বিদেশী দলিল বুলি সমালোচনা কৰা হয়। কাৰণ পশ্চিমীয়া সংবিধানসমূহৰ পৰা অনা অনুচ্ছেদসমূহ ভাৰতীয় সাংস্কৃতিক প্ৰেক্ষাপটৰ লগত খাপ নাখায়। বহুতেই এই বিষয়ত মত প্ৰকাশ কৰিছে। লগতে সাংবিধানিক সভাতো ইয়াৰ বিষয়ে আলোচনা কৰা হৈছিল।

এইটো কিমান দূৰলৈকে সত্য?

এইটো সত্যৰে ভাৰতীয় সংবিধানখন আধুনিক লগতে অদূৰ পশ্চিমীয়া। তোমাৰ বাৰু মনত আছেনে প্ৰথম অধ্যায়ত আলোচিত



*নিশ্চয়! আমি প্ৰথম অধ্যায়টোৰ পৰা কি শিকিলো বুজি পাইছানে? সমাজৰ সকলো শ্ৰেণীৰ লোকৰ কাৰণে এইটো এটা আইনসিদ্ধ যুক্তি হবনে যে তেওঁলোক সংবিধানৰ দ্বাৰা পৰিচালিত হব?*

"..... আমি বীণা আৰু চেতাৰৰ সংগীত বিচাৰিছিলো। কিন্তু আমি ইয়াত পশ্চিমীয়া সুৰহে পালো। ইয়াৰ কাৰণ হৈছে, আমাৰ সংবিধান প্ৰণেতাসকল এনেধৰণৰেই শিক্ষিত আছিল। ..... মহাত্মা গান্ধীৰ ভাৱধাৰাত সেয়েহে এইসমূহ খাপ খোৱা নাছিল।" কে, হনুমানথায়া, CAD, Vol.XI, P.616

DAILY ASSAM



সংবিধানৰ বিবিধ উৎস সমূহৰ কথা? কিন্তু, এইটো অধ্যায়ত তোমালোকে দেখা পালা যে, এইটো এটা অন্ধ অনুকৰণ কেতিয়াও নাছিল। ই এটা উদ্ভাৱিত অনুকৰণ। আৰু সেইবাবে এই সংবিধানক সম্পূৰ্ণভাৱে বিদেশী সমলযুক্ত বুলি ক'ব নোৱাৰি।

প্ৰথমতে, বহুতো ভাৰতীয়ই আধুনিক ভাৱধাৰাক মানিব পৰা নাছিল যদিও গোটসমূহ নিজৰ কৰি লৈছিল। তেওঁলোকৰ বাবে পশ্চিমীয়াকৰণ হৈছে তেওঁলোকৰ নিজা পৰম্পৰাক একপ্ৰকাৰ বিৰোধীতা কৰা। ৰামমোহন ৰায়ে ইয়াৰ বিৰোধিতা কৰিছিল আৰু বৰ্তমানেও দলিতসকলৰ মাজত এই পৰম্পৰা প্ৰচলিত। ১৮৪১ চনৰ পৰাই উত্তৰ ভাৰতৰ দলিতসকলে নতুনকৈ আৰম্ভ কৰা বিধিগত ব্যৱস্থাক সাহসেৰে ব্যৱহাৰ কৰিছিল আৰু লগতে জমিদাৰ সকলৰ ওপৰত ইয়াৰ ভিত্তিতেই গোচৰ তৰিছিল। সেয়েহে এই নতুন আইনৰ যন্ত্ৰটো জনসাধাৰণে ব্যৱহাৰ কৰিছিল তেওঁৰ মৰ্য্যাদা আৰু ন্যায়ৰ উত্তৰ বিচাৰি।

দ্বিতীয়তে, যেতিয়া পশ্চিমীয়া আধুনিকীকৰণৰ লগতে স্থানীয় সাংস্কৃতিক আদান-প্ৰদান হবলৈ আৰম্ভ কৰিলে, এক বৰ্ণসংকৰ ধৰণৰ এক সংস্কৃতিৰ জন্ম হয়। হয়তো ইয়াৰ কাৰণ হৈছে সৃষ্টিশীল উপযোগিতা। যাৰ কাৰণে পশ্চিমীয়া আধুনিকীকৰণ তথা থলুৱা পৰম্পৰাৰ মাজত ভাৰসাম্য নাই। এই নতুনকৈ উদ্ভৱ হোৱা চিন্তাধাৰা এক অন্য আধুনিকৰণৰ চৰিত্ৰ। অ-পশ্চিমীয়া সমাজসমূহত এক বিবিধ আধুনিকৰণৰ চৰিত্ৰ ফুঁটি উঠে। যাৰ ফলত তেনে সমাজসমূহত প্ৰচলিত নিয়ম-কানুনৰ এক নতুনত্ব দেখা যায়। সেইবাবেই আমাৰ সংবিধানৰ খচৰাখন প্ৰস্তুত কৰাৰ এক প্ৰকৃত পশ্চিমীয়া আধুনিকৰণক ভাৰতীয় পৰম্পৰাৰ মূল্যবোধ সমূহৰ লগত সংমিশ্ৰণ ঘটোৱাত সহায় কৰিছে। আচলতে, ই এক সৃষ্টিশীল উপযোগিতাৰ এক পদ্ধতিহে, অনুকৰণ নহয়।

## সীমাৱদ্ধতা (Limitations)

ভাৰতীয় সংবিধানক এক প্ৰকৃত আৰু নিখুঁত দলিল বুলিব নোৱাৰি। যিটো সামাজিক অৱস্থাক লৈ সংবিধান প্ৰণয়ন কৰা হৈছিল, সেই অৱস্থাত এইটো স্বাভাৱিক যে, বহুতো বাদানুবাদৰ ইয়াত সৃষ্টি হৈছে লগতে বহুতো দিশৰ ক্ষেত্ৰত বেছি মনোযোগ দিয়া প্ৰয়োজন। এইখন সংবিধান অস্থিৰ কাৰণ হ'ল সময়ৰ পৰিৱৰ্তন আমি স্বীকাৰ

DAILY ASSAM



কৰিব লাগিব। এই সংবিধানত বহুতো সীমাৱদ্ধতা আছে। আহা, আমি সংবিধানৰ সীমাৱদ্ধতাসমূহ চমুকৈ উল্লেখ কৰোঁ।

- প্ৰথমতে, ভাৰতীয় সংবিধানৰ জাতীয় ঐক্যৰ ক্ষেত্ৰত এক কেন্দ্ৰিক ধাৰণা আছে।
- দ্বিতীয়তে, পৰিয়ালৰ মাজত থকা লিঙ্গ ন্যায়ৰ সমস্যাসমূহৰ এক আভাষ দেখা যায়।
- তৃতীয়তে, এইটো স্পষ্ট নহয় যে, কিয় দৰিদ্ৰ বিকাশিত দেশ এখনত কিছুমান মূল সামাজিক অৰ্থনৈতিক অধিকাৰ আমাৰ মৌলিক অধিকাৰৰ এক মূল অংশ নকৰি নিৰ্দেশাত্মক নীতিৰ অংশ কৰিছে।

এই সীমাৰদ্ধতা সমূহৰ উত্তৰ হ'ল, কিয় এইবোৰ ঘটিল, বাখ্যা কৰা বা এইবিলাক অতিক্ৰম কৰা। আমি স্বীকাৰ কৰা উচিত যে এই সীমাৰদ্ধতাই সাংবিধানিক দৰ্শনক বিপদত পেলাব নোৱাৰে।

## সামৰণি

আগৰ অধ্যায়ত আমি সংবিধানক এক জীৱিত দলিল বুলি অধ্যয়ন কৰি আহিছো। ইয়াৰ মূল কাৰণ হৈছে, সংবিধানৰ বৈশিষ্ট্যসমূহ। ন্যায়িক ব্যৱস্থা আৰু অনুষ্ঠানসমূহৰ ব্যৱস্থাপনা সমাজৰ প্ৰয়োজনৰ ওপৰত আৰু সমাজৰ দৰ্শনৰ ওপৰত নিৰ্ভৰশীল। সংবিধানে এই দৰ্শনকে প্ৰকাশ কৰে। এই সাংবিধানিক ব্যৱস্থাপনাসমূহ যিবোৰ আমি এই গ্ৰন্থখনত আলোচনা কৰিছো, তাৰ ভিত্তি হৈছে মূল আৰু সৰ্বসন্মত দৃষ্টি। সেই দৃষ্টি আমাৰ স্বতন্ত্ৰতা আন্দোলনৰ সময়ৰ পৰাই উদ্ভাৱন হোৱা। সাংবিধানিক সভা হৈছে, এই দৃষ্টিৰ এনে এক মঞ্চ, য'ত ইয়াক পৰিৱৰ্তন আৰু ব্যৱহাৰিকৰণৰ বাবে এক বিধিগত আনুষ্ঠানিক আকাৰ। সেইবাবে সংবিধান হৈছে, এই দৃষ্টিৰ অন্তৰ্গত

DAILY ASSAM



এক দলিল। এই দৃষ্টিভংগী আমাৰ সংবিধানৰ প্ৰস্তাৱনাত উল্লেখ আছে বুলি বহুতে কব খোজে।

তোমালোকে প্ৰস্তাৱনাটো মনোযোগেৰে পঢ়িছানে? বিভিন্ন লক্ষ্য উল্লেখ থকা সত্ত্বেও, প্ৰস্তাৱনাৰ এক বিনম্ৰ দাবী ঃ সংবিধানখন বিশিষ্ট লোকৰ এক গোটে 'দিয়া' নহ'য়, ইয়াক প্ৰস্তুত আৰু আহৰণ কৰিছিল 'আমি, ভাৰতবৰ্ষৰ জনসাধাৰণে ...।' সেইবাবেই জনসাধাৰণে তেওঁলোকৰ নিজৰ ভাগ্য নিজে গঢ় দিছিল; আৰু গণতন্ত্ৰ আছিল এক মাধ্যম যাৰ যোগেদি জনগণে তেওঁলোকৰ বৰ্তমান আৰু ভৱিষ্যত গঢ়াৰ বাবে চেষ্টা কৰিছিল। পাচ দশকৰো অধিক কাল প্ৰস্তুতিকৰণ চলি থকা আমাৰ সংবিধানখনৰ খচৰাৰ সময়ছোৱাত আমি বিভিন্ন বিষয়ত সংগ্ৰাম কৰিছিলো। সেই সময়ত ন্যায়পালিকা আৰু চৰকাৰে বহুতো বিষয় বিভিন্ন ধৰণেৰে ব্যাখ্যা কৰিছিল। কেন্দ্ৰ আৰু ৰাজ্যৰ মাজতো মতানৈক্য আছিল, লগতে ৰাজনৈতিক গোটসমূহে অপ্ৰৰোচিতভাৱে যুদ্ধ কৰিছিল।

অহা বছৰ তোমালোকে আমাৰ ৰাজনীতি, ইয়াৰ সমস্যা আৰু সমাধানসমূহৰ বিষয়ে অধ্যয়ন কৰিব পাৰিবা। তথাপিও তুমি যদি এজন ৰাজনৈতিক নেতা বা সাধাৰণ নাগৰিকক সোধা, পাবা যে, সংবিধানৰ সেই বিশেষ দৃষ্টিভংগীক প্ৰত্যেকেই বৰ্তমানলৈকে শ্ৰদ্ধা সহকাৰে গ্ৰহণ কৰি আহিছে। আমি একত্ৰিতভাৱে সংবিধানত থকা নীতিসমূহ — সমতা, স্বতন্ত্ৰতা আৰু ভাতৃত্ববোধৰ আধাৰত আগবাঢ়ি যাব বিচাৰো। এয়াই হৈছে আমাৰ সংবিধানৰ অমূল্য ফলাফল। ১৯৫০ চনত আমাৰ সংবিধানখন প্ৰস্তুত কৰি উলিওৱাটো এক গুৰুত্বপূৰ্ণ পদক্ষেপ আছিল। বৰ্তমানত সংবিধানৰ সেই দাৰ্শনিক দৃষ্টিভংগী জীয়াই ৰখাটোহে আমাৰ প্ৰধান কৰ্তব্য।

DAILY ASSAM



## অনুশীলনী



(১) তলত কিছুমান আইন উল্লেখ আছে। সেইবোৰ কোনো মূল্যবোধৰ লগত সংযুক্তনে? যদি হয়, তেনেহলে তলৰ কোনটো? কাৰণ দৰ্শোৱা।

(ক) পৰিয়ালৰ সম্পত্তি সমানভাৱে জীয়ৰী আৰু পুত্ৰৰ মাজত ভাগ কৰা হয়নে?

(খ) গ্ৰাহকৰ আহৰণ কৰা বয়-বস্তুসমূহৰ ওপৰত বিভিন্ন বিক্ৰীকৰ আছে নেকি?

(গ) ধৰ্মীয় আদেশ কোন ধৰণৰ স্কুলত দিব নালাগে।

(ঘ) কোনো ধৰণৰ ভিক্ষাৰী বা বলপূৰ্বক শ্ৰমত লিপ্ত হ'ব নালাগে।

(২) তলত উল্লেখিত কোনটো এই বাক্য সম্পূৰ্ণ কৰাত ব্যৱহাৰ কৰিব নোৱাৰি? গণতান্ত্ৰিক ৰাষ্ট্ৰসমূহত এখন সংবিধানৰ বাবে প্ৰয়োজন হয় ----

* চৰকাৰৰ ক্ষমতাসমূহ পৰীক্ষা কৰা।
* সংখ্যালঘুক সংখ্যাগৰিষ্ঠতাৰ পৰা ৰক্ষা কৰা।
* ঔপনিবেশিক শাসনৰ পৰা স্বতন্ত্ৰতা অনা।
* দীৰ্ঘকালীন দৃষ্টিভঙ্গী এটা পোৱাৰ বাবে আমি আমাৰ আৰ্থিক লোকচান ভৰিব নোৱাৰো।
* সামাজিক পৰিৱৰ্তন অনাৰ বাবে শান্তিৰ সহায় ল'ব লাগে।

(৩) তলত সাংবিধানিক সভাৰ বিতৰ্কসমূহ অধ্যয়ণ আৰু জনাৰ বিভিন্ন পৰ্য্যায়সমূহ উল্লেখিত আছে ----

* তলৰ কোনটো বাক্যই সাংবিধানিক সভাৰ বিতৰ্কসমূহ বৰ্তমানেও প্ৰচলিত বুলি উল্লেখ কৰিছে? আৰু কোনকেইটা অপ্ৰচলিত?
* কোনকেইটাৰ স্থিতি তোমালোকে মানি লোৱা আৰু কিয়?

(ক) সৰ্বসাধাৰণ লোকে তেওঁলোকৰ জীৱিকা নিৰ্বাহ আৰু জীৱনৰ বিভিন্ন

DAILY ASSAM



সমস্যা সমাধানতে ব্যস্ত থাকে। তেওঁলোকে এই বিতৰ্কসমূহৰ বিধিগত ভাষাক বুজি নাপায়।

(খ) বৰ্তমানৰ অৱস্থা আৰু প্ৰত্যাহ্বান সংবিধান প্ৰস্তুত কৰা সময়তকৈ বেলেগ। সংবিধান প্ৰণেতাসকলে কৰা চিন্তা অধ্যয়ণ কৰি আৰু সেইবোৰ বৰ্তমান যুগত ব্যৱহাৰ কৰি আমি অতীতটো বৰ্তমানলৈ আনিবলৈ চেষ্টা কৰোঁ।

(গ) আমাৰ বিশ্বখনক জনা বিবিন্ন পদ্ধতি আৰু বৰ্তমানৰ প্ৰত্যাহ্বানসমূহ সম্পূৰ্ণৰূপে পৰিৱৰ্তন হোৱা নাই। সংবিধান সভাৰ বিতৰ্কসমূহে আমাৰ বিভিন্ন কাৰ্য্যসমূহৰ গুৰুত্বৰ বিষয়ে যুক্তি আগবঢ়াব পাৰে। সাংবিধানিক কাৰ্য্যসমূহ যেতিয়া প্ৰত্যাহিবত হয় আমি আমাৰ ধ্বংসৰ কাৰণ জনা নাছিলো।

(৪) ভাৰতীয় সংবিধান আৰু পাশ্চাত্য ধাৰণাৰ পাৰ্থক্য বহলাই লিখা —
তলত উল্লেখিত বিষয়বস্তুৰ সহায়ত ----

(ক) ধৰ্মনিৰপেক্ষতাৰ ভিত্তিত

(খ) অনুচ্ছেদ ৩৭০, আৰু ৩৭১

(গ) দৃঢ় পদক্ষেপ

(ঘ) সাৰ্ব্বজনিন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ

(৫) ভাৰতীয় সংবিধানত তলত উল্লেখিত কোনকেইটা ধৰ্মনিৰপেক্ষ নীতি বলবৎ কৰা হৈছে?

(ক) ৰাজ্যৰ ধৰ্মৰ লগত কোনো ধৰণৰ সম্পৰ্ক নাই

(খ) ৰাজ্য আৰু ধৰ্মৰ মাজত ঘনিষ্ট সম্পৰ্ক

(গ) ৰাজ্যই ধৰ্মসমূহৰ মাজত ভেদা-ভেদ আনিব নোৱাৰে।

(ঘ) ৰাজ্যই ধৰ্মীয় গোটসমূহৰ অধিকাৰক নিৰ্ধাৰিণ কৰিব পাৰে।

(ঙ) ৰাজ্যৰ ধৰ্মীয় কাৰ্য্যৰ ক্ষেত্ৰত সীমিত ক্ষমতা থাকে।

(৬) তলত উল্লেখ থকাসমূহৰ মিল দেখুওৱা।

| | |
|---|---|
| (ক) বিধৱাৰ সমালোচনা কৰাৰ স্বাধীনতা, | * মূল্যবোধ আহৰণ |
| (খ) সাংবিধানিক সভাইলোৱা সিদ্ধান্ত-সমূহ যুক্তিৰ ওপৰত নিৰ্ভৰশীল, নিজ স্বাৰ্থৰ ওপৰত নহয়। | * বিধিগত প্ৰাপ্যসমূহ |
| (গ) ব্যক্তিগত জীৱনৰ ক্ষেত্ৰত সম্প্ৰদায়ৰ গুৰুত্বতাৰ উপলব্ধি | * লিঙ্গ ন্যায়ৰ প্ৰতি অৱহেলা |
| (ঘ) অনুচ্ছেদ ৩৭০ আৰু ৩৭১ | * ব্যক্তিবাদৰ উদাৰতা |
| (ঙ) পৰিয়ালৰ সম্পত্তি আৰু ল'ৰা ছোৱালীৰ ক্ষেত্ৰত স্ত্ৰীৰ প্ৰতি অসমঅধিকাৰ | * এটা নিৰ্দিষ্ট অঞ্চলৰ প্ৰয়োজনীয় গুৰুত্বতা। |

(৭) এই আলোচনা এটা শ্ৰেণীত কৰা হৈছে। বিভিন্ন মতামতসমূহ অধ্যয়ণ কৰি কোনকেইটা তুমি মানি লৈছা আৰু কোনকেইটা মানি লোৱা নাই —

জয়েচ ঃ মই ভাৱো আমাৰ সংবিধানখন এখন আহৰিত দলিল।

চাবা ঃ তুমি ক'ব বিচাৰিছা নেকি যে, তাত কোনো ভাৰতীয় দৰ্শন নাই? কিন্তু, তাত কিছুমান ভাৰতীয় আৰু পাশ্চাত্য মূল্যবোধ আৰু ধাৰণা আছে নেকি? পুৰুষ আৰু নাৰীৰ মাজত সমতা মানি লোৱা। তাত পাশ্চাত্য কি আছে নো ? আৰু এয়া থকা সত্ত্বেও আমি ইয়াক নাকচ কৰিব পাৰো নেকি? কাৰণ ই পাশ্চাত্য?

জয়েচ ঃ মই ক'ব বিচাৰিছো যে, বৃটিছৰ লগত হোৱা স্বাধীনতা আন্দোলনৰ পিচত তেওঁলোকৰ সংসদীয় চৰকাৰ ব্যৱস্থা প্ৰয়োগ কৰা নাই নেকি?

নেহা ঃ তুমি পাহৰিছা নেকি, বৃটিছ শাসনৰ বিৰোধীতা কৰোতে আমি প্ৰকৃততে ঔপনিৱেশিকতাৰ নীতিসমূহকহে বিৰোধীতা কৰিছিলো। আমাৰ চৰকাৰী ব্যৱস্থাৰ ক্ষেত্ৰত এইটো গুৰুত্ব দিবলগীয়া কথা নহয় যে, আমি কৰ পৰা আহৰণ কৰিছো।

DAILY ASSAM



(৮) কিয় ভাৰতীয় সংবিধানৰ প্ৰণয়ন অ-প্ৰতিনিধিত্ব বুলি কোৱা হয়? ই সংবিধানখনক অ-প্ৰতিনিধিত্ব কৰে নেকি? যুক্তিসংগত উত্তৰ দিয়া।

(৯) ভাৰতীয় সংবিধানৰ এক সীমাৱদ্ধতা হ'ল, ই লিঙ্গ ন্যায়ৰ ক্ষেত্ৰত প্ৰয়োজনীয় গুৰুত্ব দিয়া নাই। ইয়াক কেনেকৈ প্ৰমাণ কৰিবা? যদি তোমালোকে বৰ্তমান সংবিধান এখন প্ৰস্তুত কৰা, এই সীমাৱদ্ধতাৰ ক্ষেত্ৰত কেনে ধৰণৰ পদক্ষেপ আগবঢ়াবা?

(১০) তোমালোকে এই কথাৰ লগত সন্মত নে যে— 'এখন দৰিদ্ৰ উন্নয়ণশীল ৰাষ্ট্ৰত কিয় এইটো স্পষ্ট নহয় যে, কিছুমান মূল আৰ্থ-সামাজিক অধিকাৰ নিৰ্দেশাত্মক নীতিৰ অধ্যায়ত উল্লেখ কৰা আছে। কিন্তু, মৌলিক অধিকাৰসমূহৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হিছাপে উল্লেখ কৰা নাই?' যুক্তিসংগত উত্তৰ দিয়া।
তুমি কি বুলি ভাৱা যে, নিৰ্দেশাত্মক নীতিৰ ক্ষেত্ৰত আৰ্থ-সামাজিক অধিকাৰসমূহ উল্লেখ কৰাৰ সম্ভৱপৰ কাৰণ?